নিয়োগৰ কাৰণে কোনো বাধা নাই আৰু প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ১৯৯৯ আৰু ২০০০, ২০০৫ আৰু ২০০৬ ৰ লগত হিচাব কৰি চালে দেখা গৈছে যে কৰ্মচাৰী আজি কমা নাই বাঢ়িছেহে।

**Mr. Speaker :** Now, item No. 3 Discussion on Annual Financial Statement, 2006-2007 (Vote on Account on 2006-2007 Budget).

Vote on Account মাননীয় মুখ্যমন্ত্ৰীয়ে আনিছে। সেইটোত ৰুল মতে আলোচনা কৰাৰ বাবে এটা সুবিধা আছে। Vote a Account 150 (2) discussion of a general Character shall be allowed on the Motion but the details of the grant shall not be discussed further there is necessary to develop the general points.

Now, Hon'ble Member, Dr. Idris Ali to imidiate the discussion a Annual Financial Statement, 2006-2007.

* **ডঃ ইদ্ৰিছ আলি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ চৰকাৰৰ প্ৰায় ৫ বছৰ হোৱাৰ পথত এটা এনুৱেল ষ্টেটমেণ্ট সদনত ঘোষণা কৰিছে আৰু চাৰি মাহৰ কাৰণে ভোট অন্ একাউণ্টচ বিচাৰিছে। ইয়াত যিবিলাক কথা কোৱা হৈছে, যিবিলাক আঁচনিৰ কথা উল্লেখ কৰা হৈছে এই বিলাক নজিৰ বিহীন বুলি কলে ভুল নহ'ব। কাৰণ ২০০১ চনত আমাৰ চৰকাৰ খন ক্ষমতালৈ আহিছিল। সেই সময়ত চৰকাৰী কৰ্মচাৰী সকলক দৰমহা দিব পৰা নাছিল। সেই সময়ত সাধাৰণ সৰুসুৰা দুখীয়া মানুহৰ বৃদ্ধ পেঞ্চন বন্ধ কৰি দিয়া হৈছিল। এল, পি, এম, ই স্কুল বিলাকত দিয়া বিনামূলীয়া কিতাপ বন্ধ কৰি দিয়া হৈছিল। আমাৰ এলপি, এম, ই স্কুল বিলাকৰ দুখীয়া ল'ৰা-ছোৱালী বিলাকৰ বাবে যি দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হৈছিল, সেই বিলাক আগৰ চৰকাৰখনে বন্ধ কৰি দিছিল। সেই সময়ত চৰকাৰৰ সম্পূৰ্ণ দেৱলীয়া অৱস্থাত হোৱা নিৰ্বাচনৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই ক্ষমতা লাভ কৰিছিল। ক্ষমতা লাভ কৰাৰ পিছত আমাৰ চৰকাৰখনে দুখীয়া জনসাধাৰণৰ কাৰণে জীৱনজ্যোতি, ধৰ্ম জ্যোতি, জ্ঞানজ্যোতি, কুটিৰজ্যোতি আঁচনি গ্ৰহণ কৰিছে। আগৰ চৰকাৰৰ দিনত চৰকাৰী চাকৰিয়াল সকলে দৰ্মহা নোপোৱাৰ

---

* Speech not corrected

বাবে নিজৰ পৰিয়াল পোহপাল দিয়াৰ বাবে চিন্তা হৈছিল। কিন্তু আমাৰ চৰকাৰৰ, বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সুদক্ষ নেতৃত্বত অসমৰ অৰ্থনৈতিক অৱস্থা ভাললৈ আহিছে। আপোনালোকে জানে যে, আগৰ চৰকাৰে টকাৰ অভাৱত পঞ্চায়ত নিৰ্বাচন পাতিব পৰা নাছিল। আমি পঞ্চায়ত নিৰ্বাচন পাতিলো আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া সকলো 'ষ্টেট চেয়াৰ' মোকোলাই আনিবলৈ সক্ষম হৈছো। মাননীয় বিধায়ক সকলে জানে যে, শিক্ষাৰ ক্ষেত্ৰত উন্নয়ণৰ বাবে আমাৰ চৰকাৰে সৰ্বশিক্ষা আঁচনি হাতত লৈছে। সৰ্বশিক্ষা আঁচনি লোৱাৰ পিচত আমাৰ স্কুলঘৰ বিলাকৰ অৱস্থা ভাল হৈছে। যি বিলাক স্কুলৰ শিক্ষক নাছিল, সেই বিলাক স্কুলত শিক্ষকৰ ব্যৱস্থা হৈছিল। এতিয়া আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা স্বাৱলম্বী। আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই কোৱা মতে অসম এতিয়া এনে এটা অৱস্থাত পাইছেহি যে আমি অৰ্থনৈতিকভাবে স্বাৱলম্বী। আমাৰ চৰকাৰে বাৰ্ষিক পৰিকল্পনাত যি বিলাক বিশেষ আঁচনি হাতত লোৱা হৈছে, সেইবিলাকত আমাৰ বিৰোধী সকলো একমত হ'ব লাগিব যে অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল হৈছে। সৰ্বসাধাৰণ দুখীয়া জনসাধাৰণক সকাহ দিয়াৰ কাৰণে, গাওঁ অঞ্চলত আই, এ, ওৱাই আঁচনিৰ অধীনত থকা ঘৰৰ নিৰ্মাণ কৰা হৈছে। আমি চহৰ অঞ্চলৰ দুখীয়ালোক সকলক থকা ঘৰ দিব পৰা নাই, সেইকাৰণে আমাৰ চৰকাৰে ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে থকাৰ কাৰণে 'ফ্লেট' নিৰ্মানৰ বাবে ২০ কোটি টকাৰ আঁচনি লোৱা হৈছে। ইয়াৰ উপৰিও, আপোনালোকে জানে যে অসমৰ এগৰাকী স্বনামধন্য ব্যক্তি আনন্দৰাম বৰুৱাৰ নামত এটা বাৰ্ষিক পুৰস্কাৰ মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীণ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে দিয়াৰ ব্যৱস্থা কৰা হৈছে। যোৱাবাৰ ১২৭৪২ জন প্ৰথম বিভাগত উৰ্ত্তীণ ছাত্ৰ-ছাত্ৰীৰ বাবে ২৩ হাজাৰ টকীয়া কম্পিউটাৰ দিয়া হৈছে। আমাৰ চৰকাৰে এইটোও সুবিধা দিছে, যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ ল'ব নিবিচাৰে তেওঁলোকে তাৰ পৰিবৰ্ত্তে নগদ টকা ল'ব পাৰিব। কিন্তু আনন্দৰ কথা মাত্ৰ ১০০ জনৰ বাহিৰে সকলো ল'ৰা-ছোৱালীয়ে কম্পিউটাৰ লৈছে। এইটোৱে ইয়াকে সুচাইছে যে আমাৰ ভৱিষ্যত প্ৰজন্ম তথ্য তথা আধুনিক

প্ৰযুক্তিৰ প্ৰতি কিমান আগ্ৰহী। আমাৰ চৰকাৰে এই পুৰস্কাৰ অহা বছৰ দিবৰ কাৰণে ২৫ কোটি টকা ধাৰ্য্য কৰিছে। আৰু এটা কথা আপোনালোকে নিশ্চয় জানে যে, আমাৰ অসমৰ যি সকল ডাক্টৰ আছে, এ,পি,এচ,চি চিলেকচন পোৱাৰ পিচত গাওঁ অঞ্চলত চাকৰি কৰিবলৈ নাযায়। এইটোৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গাওঁ অঞ্চলৰ দুখীয়া জনসাধাৰণক স্বাস্থ্য সেৱাৰ সুবিধা দিয়াৰ বাবে তিনিখন মেডিকেল কলেজ কৰাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো। আমাৰ চৰকাৰে ষ্টাফ নাৰ্চৰ অভাৱ পূৰণৰ বাবে নগাওঁ জিলাত এখন নাৰ্চিং কলেজ আৰু পেৰামেডিকেল কলেজ স্থাপনৰ আঁচনি লৈছে। এই কলেজ হোৱাৰ পিছত আমাৰ বিভিন্ন মেড়িকেল কলেজ হস্পিতেল আৰু অন্যান্য হস্পিতেল বিলাকত নাৰ্চৰ অভাৱ দূৰ হ'ব। বৰ্তমান আমাৰ চৰকাৰে ডাক্টৰ সকলক গাওঁ অঞ্চলত চাকৰি কৰিবৰ বাবে এক্সট্ৰা দৰমহা দিয়াৰ উপৰিও তিনি হাজাৰ টকাকৈ মাননী দিবৰ বাবে ঘোষণা কৰিছে। ইয়াৰ দ্বাৰা গাওঁ অঞ্চলত ডাক্টৰৰ অভাৱৰ সকাহ দিব।

আৰু এটা বিশেষ কথা এই যে এই চৰকাৰৰ যি সকল প্ৰাক্তন মুখ্য মন্ত্ৰী আছিল, ব্যক্তি বিশেষ আছিল, সেই সকল আজি আমাৰ মাজত নাই যদিও তেখেত সকলে আমাৰ অসমৰ কাৰণে যথেষ্ঠ খিনি কৰি গৈছে। তেখেত সকলৰ স্মৃতি ৰক্ষাৰ কাৰণে প্ৰাক্তন মুখ্যমন্ত্ৰী শৰত চন্দ্ৰ সিংহৰ কাৰণে চাপৰত, হিতেশ্বৰ শইকীয়াৰ কাৰণে শিৱসাগৰত, আৰু ৰূপ নাথ ব্ৰহ্মাৰ কাৰণে তেখেতৰ নিজা ঠাইত একোটা মূৰ্তি স্থাপন কৰিবলৈ লোৱা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক উপাধ্যক্ষ মহোদয়, আপোনাৰ জড়িয়তে অনুৰোধ জনাব খুজিছো যে এই যি সকল মানুহে অসমৰ কাৰণে বহুত কৰি গ'ল, কেন্দ্ৰত মাত মাতি গ'ল, সেই সকলৰ কাৰণে একোটা স্মৃতি সৌধ স্থাপন কৰিলে ৰাইজ বিশেষ ভাবে সন্তুষ্ট হ'ব।

তাৰোপৰি এইবাৰ বাজেটত সংখ্যালঘূ সকলৰ উন্নয়ণৰ কাৰণেও ৭ কোটি টকা ধাৰ্য্য কৰিছে। এই টকা আগৰ বাজেটতকৈ উৰ্দ্ধত যদিও আমাৰ মানুহ খিনিৰ শিক্ষা বহুত কম, আমাৰ শিক্ষিত মানুহ কম। সেয়ে এই টকা

বঢ়াই ১৫ কোটি টকা কৰিবলৈ অনুৰোধ জনাইছোঁ। চাহ বাগানত যি সকল লোক আছে সেই সকলৰ কাৰণে ১০ কোটি টকাৰ আঁচনি লোৱা হৈছে, তাৰ বাবে চৰকাৰক ধন্যবাদ জনাইছোঁ যদিও সেই টকা কম হৈছে বুলি ভাবো। এই টকাও বৃদ্ধি কৰি ১৫ কোটি কৰিবলৈ অনুৰোধ জনাইছোঁ। অ', বি, চি আৰু অন্যান্য যি সকল পিছপৰা শ্ৰেণীৰ লোক আছে সেই সকলৰ কাৰণে ৫০০ কোটি টকা ধাৰ্য কৰা হৈছে।

* শ্ৰী প্ৰেম ধৰ বৰা ঃ উপাধ্যক্ষ মহোদয়, সদনত এজনো মন্ত্ৰী উপস্থিত নাই, এনেদৰে সদন কেনেকৈ চলিব? ইমান দায়িত্ব জ্ঞানশূণ্য হ'লে কেনেকৈ হ'ব? আমি চলিবলৈ দিব নোৱাৰোঁ।

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ উপাধ্যক্ষ মহোদয়, বিৰোধী সকলৰ কথাৰ কোনো মূল্য নাই। সেই কাৰণে আমি বিৰোধী পক্ষৰ সদস্য সকলে কথা কলে শুনোতা নাই, তেওঁলোক ভিতৰত বহি আছে।

* শ্ৰী বৃন্দাবন গোস্বামী ঃ আমিও যাওঁ তেতিয়া হ'লে।

**Mr. Deputy Speaker :** House is adjourned for 10 minutes.

(সদন ১১.২৫ পৰা ১১.৩৫ লৈ স্থগিত হয়।)

(The House reassembled at 11-35 A.M. with Hon'ble Deputy Speaker, Shri Tanka Bahadur Rai in the Chair)

* ডঃ জয়নাথ শৰ্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদনৰ পৰা মন্ত্ৰী সকলে ছত্ৰভঙ্গ দিয়ে কিয়। বাজেটৰ আলোচনা চলি থকাৰ সময়ত সদনত এজনো মন্ত্ৰী উপস্থিত নথকাতো এক নজিৰবিহীন ঘটনা। এই ক্ষেত্ৰতত চৰকাৰে এটা স্পষ্টীকলণ দিব লাগে। সদনত বাজেটৰ পেৰত আলোচনা চলি থাকোতে মন্ত্ৰীৰ উপস্থিতি অতি জৰুৰী।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ষ্ট্ৰাইক সৰ্ম্পকে জৰুৰী আলোচনাত ব্যস্ত থকাৰ কাৰণে সদনত উপস্থিত হোৱাত দেৰি হ'ল।

* ডঃ জয়নাথ শৰ্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বিধান সভাৰ ইতহাসত এনেকুৱা আগতে কেতিয়াও হোৱা নাই। বিধান সভাৰ বাজেট আলোচনাতকৈ

* Speech not corrected

ইয়াত আৰু কোনো কামেই জৰুৰী নহয়।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিধান সভাত বাজেটৰ লেখানুদানৰ ওপৰত আলোচনা চলি থাকোতে মন্ত্ৰী উপস্থিত নথকাতো এটা ডাঙৰ কথা। জেষ্ঠ মন্ত্ৰী হিচাবে এই কথাতো তেখেতে জানিব লাগিছিল। সদনৰ প্ৰতি আস্থা, দায়িত্ব থাকিব লাগিব। (সদনত হুলস্থুল)

(Hon'ble Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair).

**Mr. Speaker :** The matter is very serious and I am sorry to say that the Ministers are responsible for this. As such, they should not leave the House in future. Atleast some Ministers should be present in the House during dissussion.

* **ডঃ ইদ্ৰিছ আলি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ আমাৰ চৰকাৰে বাজেটত যি লেখানুদান উৎথাপন কৰিছে, তাত আমাৰ সংখ্যালঘু উন্নয়ণৰ কাৰণে সাতকোটি কটা ধাৰ্য্য কৰিছে। প্ৰায় ত্ৰিশ শতাংশ সংখ্যালঘু লোক আছে। সেই অনুপাতে এই সাত কোটি টকা পৰ্য্যাপ্ত নহয়। মই মাননীয় মন্ত্ৰী মহোদয়ক এই সাত কোটি টকা বঢ়াই পোন্ধৰ কোটি টকা কৰিবলৈ অনুৰোধ কৰিছো। মই মাননীয় মন্ত্ৰী মহোদয়ক আৰু এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ চৰ অঞ্চলৰ লোক সকলৰ বাবে এটা বিশেষ পেকেজ ঘোষণা কৰিবলৈ আজিৰ সদনত মই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলো। এইবাৰ জিলাভিত্তিত দুশকোটি টকা ধাৰ্য্য কৰিছে। তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিন্তু এই দহ কোটি টকা ১২৬ টা সমষ্টিৰ কাৰণে পৰ্য্যাপ্ত নহয়। তাৰ কাৰণে আৰু অলপ বঢ়াই দিব লাগে। মৰিগাওঁ জিলাত শংকৰদেৱৰ যি থান আছে, থানখনৰ উন্নয়ণৰ কাৰণে আমাৰ এইবাৰ বাজেটত টকা ধাৰ্য্য কৰা হৈছে। কল্পতৰু আঁচনিৰ যোগেদি পয়সত্তৰ কোটি টকা ধাৰ্য্য কৰা হৈছে। আৰু অলপ টকা বঢ়াই ১২৬ টা সমষ্টিত ১২৬ কোটি টকা কৈ দিলে আমি আৰু অধিক সুখী হম। উদ্যোগৰ ক্ষেত্ৰত বিশেষ কোনো আঁচনি আমাৰ চৰকাৰে লোৱা নাই। এ,জি,পি চৰকাৰৰ দিনত পেপাৰ মিলৰ কাৰণে ২০ কোটি টকাৰ কাম

* Speech not corrected

কৰা হৈছিল সেই বিলাক এতিয়া জহি খহি গৈছে। মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো তাত এটা জুট মিল স্থাপন কৰিবলৈ। জাগীৰোডত যি মৰাপাট কল আছে তাত ১৫০০ মানুহে কাম কৰি আছে। এইবাৰ ট্ৰেক্টৰৰ কাৰণে যি টকা ধাৰ্য্য কৰিছে তাৰ পৰিমান আজি গোটেই অসমৰ কাৰণে পৰ্য্যাপ্ত পৰিমানে হোৱা নাই। টকাৰ পৰিমান অলপ বঢ়াই দিলে, খেতিয়ক ৰাইজৰ কাৰণে যথেষ্ঠ উপকাৰ হ'ব বুলি মই ভাবো। আৰু এটা কথা মই ক'ব বিচাৰিছো, যে এইবাৰ ভঙাগড় আৰু ছয়মাইলত দুখন ফ্লাই অভাৰৰ কাৰণে ত্ৰিশকোটি টকা ধাৰ্য্য কৰা হৈছে। আপোনালোকে নিশ্চয় জানে যে নগাওঁ আৰু মৰিগাওঁ জিলাৰ ঠেকেৰাগুৰিত এখন গেট আছে। তাত আমাৰ অসমৰ পৰা যিসকল মাননীয় সদস্য, বিধায়ক সকল যায় তাত তেওঁলোকে সময়ে সময়ে আধাঘণ্টামানকৈ ৰব লগা হয়। মই মালিগাওঁ ৰেলৰেৰ যিটো ডিভিজন আছে তাৰ সদস্য হিচাবে মই এই কথাটো উৎথাপন কৰিছিলো যে ইয়াৰ এটা এষ্টিমেট বনাই দিলে ভাল হয়। যদি পোন্ধৰ কোটি টকা এষ্টিমেণ্ট বনাই দিয়ে তেতিয়াহলে ভাল হয়। হোমগাৰ্ড সকলৰ টকা ৬০ কৰিলে ভাল হয়। শিক্ষক সকলৰ ক্ষেত্ৰত ৮০ টকাৰ পৰা ১০০ টকা কৰিলে ভাল পাওঁ। এইবাৰ চৰকাৰে যি বাজেট আনিছে মাননীয় মন্ত্ৰীয়ে কৈছে যে এইবাৰ আমাৰ টকাৰ অভাৱ নাই। আল্লাউদ্দিনৰ চাকিৰ নিচিনা অসমে টকা কৰিছে। আৰু ইমান কাম হৈছে, সকলোৱে দেখিছে আৰু মই তেখেতসকলক ধন্যবাদ জনাইছো। চাৰিমাহৰ কাৰণে যি লেখানুদান দিছে মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। চি,এইচ, ই আৰু পি,এইচ, ই ৰ কাৰণে টকা পৰ্য্যাপ্ত পৰিমানে মোকোলাই দিবৰ কাৰণে মই আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যাতে সকলো টকা সময়মতে মোকোলাই দিয়ে তাৰ কাৰে. মই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Hon'ble Member, Shri Brindaban Goswami.

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০০১ চনত আমাৰ ৰাজ্যত

কংগ্ৰেছ (আই) চৰকাৰখনৰ প্ৰতিষ্ঠা হৈছিল, মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈৰ নেতৃত্বত। আমাৰ ৰাইজে বহু আশা কৰিছিল, যে এজন যথাৰ্থ মুখ্যমন্ত্ৰী তেওঁলোকে লাভ কৰিব। এইবাৰ অসমৰ স্বাৰ্থ পূৰণ হ'ব। অসমৰ সৰ্বাঙ্গীণ উন্নতি হ'ব। কিন্তু দুৰ্ভাগ্যজনক কথা যে অসমৰ ৰাইজৰ এই আশা ধূলিস্যাৎ হ'ল। কংগ্ৰেছ (আই)চৰকাৰখনে ২০০১ চনৰ নিৰ্বাচনৰ সপোন ধংস কৰিলে। চৰকাৰৰ ৫ বছৰীয়া কাৰ্য্যকাল প্ৰায় শেষ হ'ল। ২০০৬-০৭ চনৰ বাজেটৰ লেখানুদানত মুখ্যমন্ত্ৰীয়ে সপোন দেখিছে। চৰকাৰখন শুই আছে, আৰু সপোন দেখি আছে। চৰকাৰখনক শোৱাৰ পৰা উঠাই দিব লাগিব। সপোনত বিভোৰ হৈ আছে। আগৰ এ,জি,পি চৰকাৰক ঋণ লোৱাৰ কাৰণে সমালোচনা কৰিছিল, কিন্তু তেওঁলোকেও ঋণ লৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ৫ বছৰে অসমৰ সমস্যা সমূহ সমাধান কৰিব নোৱাৰিলেও কিছুমান সমস্যা চিহ্নিত কৰিব পাৰিছে। আমি ভাল পাইছো। অধ্যক্ষ মহোদয়, আজি অসমৰ অৰ্থনৈতিক অৱস্থা অতি ভয়াবহ। জনমূৰি ঋণৰ বোজা ভাৰতৰ অন্য ৰাজ্যতকৈ কম বুলি কৈছে। বিশ্ব বেংক, নাবাৰ্ড, পিয়েৰলেচ আদিৰ পৰা আগৰ চৰকাৰে ঋণ লোৱা বুলি ২০০১ চনত তেওঁলোকে কৈছিল। কিন্তু এ,জি,পিয়ে পিয়াৰলেচৰ পৰা ঋণ লোৱা নাছিল। অ,গ,প চৰকাৰে যধেমধে ঋণ লোৱা বুলি কৈছে। কিন্তু আজি মুখ্যমন্ত্ৰীয়ে ভাষণত কৈছে একো ডাঙৰ কথা নহয়। এতিয়া কৈছে ৬,১৪৯ কোটি টকা সাধাৰণ। ভয় কৰিব লগা একো নাই। ভাৰতৰ ২৩ খন ৰাজ্যৰ ভিতৰত অসমো এখন। তেখেতে কৈছে অন্য ৰাজ্যৰ তুলনাত অসমৰ অৱস্থা সন্তোষজনক। আমি ঋণ লওতে তেখেতে উচপ খাই উঠিছিল। কিন্তু আজি কি হৈছে। ঋণৰ প্ৰয়োজন আছে মই কৈছো। দ্ৰৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা ৰাজ্য বিলাকৰ ভিতৰত অসমৰ স্থান ১৬ নম্বৰত। ইদ্ৰিছ আলী ডাঙৰীয়াই নকলে নহয় কাৰণে কৈছে। ধিং অঞ্চলৰ গাওঁ-ভূইৰ অৱস্থা তেখেতে নিজে দেখিছে। তাৰ ৰাস্তা ঘাটৰ সুব্যৱস্থা নাই। স্কুললৈ ল'ৰা-ছোৱালী যাব নোৱাৰা হৈছে। এল,পি, স্কুলত ১১০ টকা, এম,ই স্কুলত ৩০০ টকা, হাইস্কুলত ৫০০ টকা কৰিছে। সেইকাৰণে মাক বাপেকে ল'ৰা-ছোৱালী স্কুললৈ নপঠিৱা হৈছে। এজন ৰিক্সাচালকে মোক

* Speech not corrected

আহি কৈছে, মই আৰু সন্তানক স্কুললৈ নপঠিয়াও। আজি অসমৰ অৱস্থা একেবাৰে বেয়া হৈছে। ইয়াৰ দুটা কাৰণ। এটা হৈছে জনবিস্ফোৰন। সেই জনবিস্ফোৰন জন্মনিয়ন্ত্ৰণৰ অভাৱৰ কাৰণেও হ'ব পাৰে বা অবৈধ প্ৰবেশৰ বাবেও হ'ব পাৰে। অসমত ২১ শতাংশ খেতিৰ মাটি আছে, বাকীখিনি জলাহ। খেতিৰ মাটিৰ ওপৰত ৯৫ জন মানুহে নিৰ্ভৰ কৰিব লগা হয়। আমাৰ অৰ্থনীতিৰ ওপৰত ইয়াৰ প্ৰভাৱ বেয়া ধৰণে পৰিছে। তাৰ উপৰিও আছে বানপানীৰ প্ৰকোপ। ৰহাৰ দলংখন এতিয়াও ঠিক হোৱা নাই। প্ৰাকৃতিক দুৰ্য্যোগে যোৱা ৫০ বছৰে ৰাজ্যখনক ভোগাইছে। আমি ইয়াৰ ওপৰত আলোচনা বিলোচনা চলাই আছো কিন্তু সমাধান কৰিব পৰা নাই। ৫২ খন উপনদীৰে ব্ৰহ্মপুত্ৰৰ বৃহৎ জলাধাৰ আছে। যোৱা ৫ বছৰে কি ধৰণৰ ব্যৱস্থা লোৱা হ'ল? অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে চিহ্নিত কৰিব লাগে। জৰ্জ পথাৰত কয় ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিছে। কিন্তু সংসদত কৰা নাই। আমি কোনটো বিশ্বাস কৰিম। এই সমস্যাবোৰ সমাধান নহলে অৰ্থনৈতিক সমস্যাৰ সমাধান নহয়। মূল কথা গ্লবিলাইজেচন। বিশ্বায়নৰ নামত বিশ্ব বেংকৰ পৰা টকা আহিছে। কিন্তু তাতো নিয়ম আছে। সৰ্বশিক্ষাই সৰ্বনাশ কৰিছে। সৰ্বশিক্ষাৰ নামত টকা আহিছে। কিন্তু তাতো কণ্ডিচন আছে। ৪০০ শ কোটি টকা আহিছে। আমাৰ ৰাজ্যখনৰ শিক্ষাৰ বিকাশৰ বাবে এটা প্লেনিং হ'ব লাগে। কিন্তু প্লেনিং কৰে দিল্লীত। টকা আহিলেও লগে লগে নীতি-নিৰ্দেশনা আহে। আমাৰ ৫ হেজাৰ ভেন্সাৰ স্কুলত শিক্ষকৰ কাৰণে টকা দিছে। এচিয়ান বেংকৰ টকা আহিছে কিন্তু তাত এসোপা নীতি-নিৰ্দেশনা আছে। অপেন মাৰ্কেটৰ মতে চলিবলৈ আমাৰ মানুহৰ প্ৰস্তুতি কত? আমাৰ মানুহক লাগে টিংপাত, সূতা। মূল কথা প্ৰতিযোগিতাত তিষ্ঠিবলৈ আঞ্চলিক প্লেনিংৰ দৰকাৰ। কিন্তু আমাৰ মৌলিক সমস্যাবোৰেই সমাধান হোৱা নাই। বাগানৰ মালিকে বাগান বিলাক বিক্ৰী কৰি দিছে। টাটা, বিৰলাই সেই টকাৰে আফ্ৰিকাত বাগান কিনিছে। অসমত ২ লাখ হেক্টৰ মাটিৰ ওপৰত লুণ্ঠন চলাইছে। ইয়াত বহুতো উদ্যোগ হ'ব পাৰিলেহেতেন। অক্সন মাৰ্কেটত ২০ শতাংশ লাভ নহয়। টি-পেকেটিং কৰাৰ বাবে লোকচান হৈছে। চাহ শ্ৰমিকে ঋণৰ বোজা লৈছে, মালিকপক্ষই

লাভ খাইছে। আফগানিস্থান, পাকিস্থান, ৰাচিয়াৰ মাৰ্কেটলৈ চাবই নোৱাৰি। কেনিয়ালৈ যাব নোৱাৰে। ২০ লাখ নিবনুৱাৰ মুখামুখি হ'বলৈ কি ব্যৱস্থা লৈছে? কল্পতৰু আঁচনি লৈছে। ভাল হৈছে। কিন্তু সকলো শব্দৰ মেজিক শুনিবলৈ সুন্দৰ। এনে লাগিব যেন সকলো হৈ যাব। সকলো ঠিকঠাক। কিন্তু ভালকৈ চালে দেখা যাব সকলো বিলাক শব্দৰ মেজিক।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনতে আমি ইঞ্জিনিয়াৰিং কলেজত কম্পিউটাৰ আৰম্ভ কৰিছিলো। কটন কলেজতো দিছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ত ইনষ্ট্ৰমেণ্টেচন কম্পিউটাৰ দিয়া হৈছিল। সেই সময়ত যেতিয়া কম্পিউটাৰ আৰম্ভ কৰিছিলো চাৰিওফালে ব্লেক ফ্লেগ আৰিছিল। Particularly অসম আৰু ইনজেনেৰেল নৰ্থ ইষ্টত কৰ্মসংস্থানৰ উৎস আছে। আমাৰ ৰাজ্যখনত এতিয়া অপেন মাৰ্কেট কমপিটিচন চলি আছে। কতো কল্ড চেণ্টাৰ নাই। এতিয়া কম্পিউটাৰ দিছে ভাল হৈছে। কিন্তু ইয়াৰ কাৰণে প্ৰিপাৰেচন লাগে। ১৪-১৫ লাখ ল'ৰা-ছোৱালী নিয়োগ হোৱাৰ স্থল আছে। গতিকে ইয়াৰ কাৰণে প্ৰিপাৰেচন লাগিব। গোটেই উত্তৰ পূৰ্বাঞ্চলতে স্কোপ আছে। আমি মাত্ৰ ৰিচোৰ্চ পাৰ্চন উলিয়াব লাগিব। কিন্তু এই বিলাক পৰিকল্পনাত সঠিক ভাবে দিব পৰা নাই। মই যি কেইটা সমস্যাৰ কথা কৈছিলো তাৰ ভিতৰত এটা নিবনুৱা সমস্যা। নিবনুৱা আমি কাক কম? শিক্ষিত নিবনুৱা আছে, শিক্ষা নোহোৱা নিবনুৱা আছে, ভূমিহীন নিবনুৱা আছে। আনহাতে চাহ বাগানৰ লাখ লাখ মানুহ কামৰ পৰা বিতাৰিত হৈ নিবনুৱা হৈ আছে। এই বিলাক সমাধানৰ এটা মাত্ৰ উপায় আছে কৰ্মক্ষেত্ৰ সৃষ্টি কৰা। কিন্তু এই চৰকাৰৰ দিনত আমি কৰ্মক্ষেত্ৰ সৃষ্টি কৰা দেখা নাই। আমাৰ ৰাষ্টিয় পৰ্য্যায়ত স্কোপ আছে। ৰেলওৱেত শতকৰা ১০০ ভাগ নিযুক্তিৰ কাৰণে আছুৱে আন্দোলন কৰিছে। আপোনালোকৰ মানুহ কেন্দ্ৰত মন্ত্ৰী, সাংসদ হৈ আছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভাগত (অসমত অৱস্থিত) কিয় থলুৱা নিবনুৱাক নিয়োগ কৰিব পৰা নাই। চেণ্ট্ৰেলী স্পনচৰ চেক্টৰ বিলাকত যোৱা ৫ বছৰত নিয়োগৰ ক্ষেত্ৰত দৃঢ়তা দেখুৱাৰ পৰা নাই। দ্বিতীয়তে আত্মসহায়ক গোটৰ কথা কৈছে। এই ক্ষেত্ৰত বাংলাদেশৰ প্ৰফেচাৰ ইউনিছে এটা বিপ্লৱ আনিছিল। আমাৰ

ইয়াতো আত্মসহায়ক গোট নোহোৱা বুলি নকও, হৈছে। আজি যি ভয়াবহ নিবনুৱাৰ সমস্যাৰ সৃষ্টি হৈছে তাৰ মাজত দৰিদ্ৰ নিচলাক সৎ ভাৱে দুপইচা অৰ্জনৰ পথ দিব পৰাটোহে আচল কথা। বৰ্তমানৰ ল'ৰা ছোৱালীয়ে নিৰাশজনক ভাৱে হতাশাত ভুগিবলগীয়া হৈছে। মুখ্য মন্ত্ৰীয়ে পৰিবহনৰ যোগেদি এখন আঁচনি লৈছে। এই আঁচনিৰ জৰিয়তেও কৰ্মসংস্থাপন দিব বিচাৰিছে। কোনো কোনো কোম্পানীয়ে গাড়ী দিম বুলি কৈছিল। আজি ৰাতিপুৱাও হতাশাগ্ৰস্ত নিৱনুৱা সকলে মোক কৈছিল যে বাজেট বক্তৃতাত আমাৰ বিষয় কব। আপোনালোকে ৰিচোৰ্চ বঢ়োৱাৰ কথা কৈছে। চেল টেক্সৰ যোগেদি কিছু টকা আহিছে যদিও সেই টকা যথেষ্ঠ নহয়। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত যিখিনি সম্পদ আছে সেই সম্পদৰ যদি অধিকাৰ নাহে বা সৎ ব্যৱহাৰ নহয় তেতিয়াহ'লে এই সমস্যাবিলাক সমাধান নহ'ব। এই চৰকাৰ নিবনুৱা সমস্যা সমাধান ক্ষেত্ৰত যোৱা পাঁচ বছৰে একো সৰল পদক্ষেপ ল'ব নোৱাৰিলে। কে,পি ত্ৰিপাঠি ডাঙৰীয়া বিত্ত মন্ত্ৰী হৈ থাকোতে কৈছিল যে অসমত ৪৪ হাজাৰ চাকৰীয়াল আছে। ৪৪ হাজাৰ কৰ্মচাৰীৰে নহয় ২০ হাজাৰ চাকৰীয়ালেৰে চলাম। কিন্তু এতিয়া মানুহক কাম লগা হৈছে। ৫ লাখ মানুহে কামত যোগ দিয়ক। ৩৯০০ চেলাৰী হেডট যায়। আমাৰ দিনত পেনচনৰ কাম বিলাকত আমি চকু দিছিলো। সুকীয়া ডাইৰেক্টৰেট খোলা হৈছিল। এতিয়া ৰাজ্যখনত চৰকাৰী খণ্ডত কিমান নিয়োজিত হ'ব পাৰে। আগত দিনবিলাকত সকলোৰে এই সমস্যা বিলাক সমাধান কৰিব লাগিব। ৰাজ্যখনত বহু ধৰণে কৰ্মসংস্থান দিব পাৰিলেহেতেন। কৃষি, উদ্যোগ আদি খণ্ডতো দিব পাৰিলেহেতেন। কিন্তু কামত লগাব পৰা নাই। নিজস্ব পৰিকল্পনাৰে আগবাঢ়িব নোৱাৰিলে এইবিলাক কৰাটো সম্ভৱ নহয়। মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাতো এইবিলাক আমি দেখা নাপালো। অধ্যক্ষ মহোদয়, মই আন কেইটামান কথা কবলৈ বিচাৰিছো। এখন ভাল চৰকাৰ দিবলৈ যাওতে চৰকাৰ খনলৈ যি ধন আহে সেই ধন সৎ ভাৱে ব্যৱহাৰ হৈছে নে নাই চাব লাগে। ১৯৮৬ চনত নেচনেল পলিচি ডিচকাচনত গৈছিলো। তাত কৰ্ণাটকৰ মন্ত্ৰী ৰঘুপতি ডাঙৰীয়াই কৈছিল যে আপুনি যিখিনি কৰিবলৈ ওলাইছে অসুবিধাত পৰিব

নেকি? আমি শিক্ষাৰ ক্ষেত্ৰত পৰিবৰ্তন আনিব বিচাৰিছিলো। ১৯৮৫ চনত নেচনেল লেভেলত যেতিয়া শিক্ষিতৰ হাৰ ২৮ শতাংশ আছিল আমাৰ ৩৬ শতাংশ আছিল। বিনামূলীয়া পাঠ্যপুথি দিয়াৰ কাৰণে পে আউট কমি গৈছে। ১৯৯০ চনত ১ কোটি টকা জমা দিছিল। ১৯৯১ চনত কংগ্ৰেছ চৰকাৰে ১৮ কোটি টকাৰ কিতাপ পালে। পিছৰ ১৮ কোটি টকা ৰিটাৰ্ণ কৰিব নোৱাৰা কাৰণে পিছত চৰকাৰে একো কাম কৰিব নোৱাৰিলে। সেই সমিটিত হেমপ্ৰভা শইকীয়া ডাঙৰীয়ানীও আছিল। আৰু এটা কথা কৈছো স্কুল প্ৰাদেশীকৰণ কৰা কথা। স্কুল প্ৰাদেশীকৰণ কৰিব নোৱাৰে। কাৰণ বুজা-বুজিৰ চুক্তি ইগনোৰ কৰিব নোৱাৰে। এতিয়াৰ ষ্টেজ হৈছে ব্যক্তিগতকৰণ। ৰাষ্ট্ৰীয় পিঞ্চিপলক আপোনালোকে ইগনোৰ কৰিব নোৱাৰিব। প্ৰাদেশীকৰণৰ ক্ষেত্ৰত বিশ্বায়নৰ কথা জড়িত হৈ আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় সাহাৰ্য্য লাগিব। এতিয়া মুখ্যমন্ত্ৰীয়ে স্বচ্ছতাৰ কথা হৈছে। আপোনালোকে কৈছে যে এ,জি,পিৰ দিনত বহুটো দূৰ্নীতি হৈছে। মই কৈছো মোৰ যদি কৰবাত দূৰ্নীতি হৈছে, তেতিয়াহলে তদন্ত কৰক আৰু দোষ পালে জেলত দিয়ক। মই শিক্ষা বিভাগত আছিলো। শিক্ষা বিভাগৰ ফাইলত যদি কৰবাত খেলিমেলি হৈছে তেতিয়াহলে মোক দোষী সাব্যস্ত কৰি জেললৈ দিয়ক। মুখ্য মন্ত্ৰীৰ চেষ্টাতে ৰাজধানী হোৱা বুলি কৈছে। কিন্তু চেণ্ট্ৰেল এচিচটেন্স আশা নকৰিব। আজি সৰ্বসাধাৰণ ৰাইজে অৰ্থনীতি জনা উচিত। আজি স্বচ্ছতাৰ কথা কৈছো। এ,জি,পিৰ দূৰ্নীতিৰ কথা কৈছে। মই কব বিচাৰিছো যে আমি যদি দূৰ্নীতি কৰিছো অনুসন্ধান কৰক। পুলিচ আপোনালোকৰ, চি. আই ডি আপোনালোকৰ। মই এবাৰ শিক্ষা মন্ত্ৰী আছিলো আপোনালোকে ভালদৰে চাওক। এনেয়ে কলে নহ'ব। মোৰ কিয় মোৰ চাৰিও ফালে থকা সকলোৰো চাওক। অনুসন্ধান কৰক। মুখ্যমন্ত্ৰীয়ে কৈছে তেওঁৰ চেষ্টাতেই ৰাজধানী হৈছে। ইয়াত এই কাগজ খনত অভিযোগ কৰিব পৰা বহুত কথাই লিখিছে। কেপিটেল কমপ্লেক্স বনোৱা ক্ষেত্ৰত প্ৰদ্যোৎ বৰদলৈয়ে নগেন শৰ্মক বহু ধৰণে সমালোচনা কৰিছিল। আনচল কোম্পেনীয়ে কাম কৰি থকা সময়ত বহু বেয়া বুলি কৈ তেওঁক আঁতৰাই দিয়া হ'ল। কিন্তু আকৌ পাছত সেই কোম্পেনীকে দিয়া হ'ল।

মাজতে আকৌ হিন্দুস্থান কোম্পানীক দিয়া হৈছিল। এতিয়া কোন পাৰটিক দিছে নিশ্চয়তা নাই। ৬৯ কোটি টকাৰ পৰা ১ কোটি ৩০ লাখ টকাৰ খৰছ আঁতৰাই টকাটো ঘূৰাই দিয়াৰ কথা কৈছিল। কিন্তু সিমানখিনি টকাৰ কাম কৰাৰ কাৰণে কোম্পানীটোৱে হাইকোর্ট কৰিব লগা হ'ল। তেওঁলোকক আঁতৰাই দিয়া হৈছিল। শেষত আকৌ তেওঁলোকক কাম কৰিব দি ১৪ কোটি ৫০ লাখ টকা তেওঁলোকক দিয়া হ'ল। তেতিয়া ৫৪ কোটি টকা থাকিব। তাৰ পাছত আকৌ ২০ কোটি টকা দিয়া হ'ল। সেইটো ৬৯ কোটিৰ টকাৰ লগত নে ১৪ কোটি ৫০ লাখ টকাৰ লগত দিয়া হ'ল সেই যোগ অংকটো মই নুবুজিলো। এস্কেলেমেচনৰ কথাটো মই বুজু কিন্তু সেইটো হ'লে খুব বেছি ২/৫ লৈ হ'লহেতেন। ইয়াৰ সদ উত্তৰ মই পোৱা নাই। পি, ডাব্লিউডিৰ ৰোলটো মই জানিব বিছাৰিছো। এস্কেলেমেচন কি ধৰণে হয়। ২০ কোটি টকা খৰছ হ'ব নোৱাৰে। গতিকে অধ্যক্ষ মহোদয়, স্বচ্ছতাৰ কথা কৈছে। এই বিধান সভাৰ মজিয়াত মই যদি বহুত কবলগীয়াবোৰ কও সকলোৱে ক'ব বিৰোধী দলৰ হৈ যাবৰ সময়ত এনেয়ে কৈছো। মই এতিয়া এটা কথা ক'ব বিচাৰিছো। বাতৰি কাকতৰ বিষয়েও নহয়, সংবাদদাতাৰ কথাও নহয়, চৰকাৰী বিষয়াৰ কথা ক'ব বিচাৰিছো। এটা উক্তি দিয়া হৈছিল এ,জি,পিয়ে কৃষকৰ ওপৰত মাধমাৰ মাৰিলে। এতিয়া মই কৈছো কৃষি আৰু উদ্যান শষ্যৰ দৰে গুৰুত্বপূৰ্ণ বিভাগৰ স্বতন্ত্ৰ দায়িত্বত থকা মন্ত্ৰী গৰাকীৰ ক্ষেত্ৰতো একেই অভিজ্ঞতা। প্ৰায় এহেজাৰ ৰাজ পত্ৰিত কৃষি বিষয়াক প্ৰতিনিধিত্ব কৰা অসম কৃষি সেৱা সন্থাৰ গুৰুত্বপূৰ্ণ বিষয় বোৰ আলোচনা কৰি ইয়াৰ এটা সুমিমাংসা কৰাত মন্ত্ৰী মহোদয়ে সন্থাৰ শীৰ্ষ অধিবেষনত যি ৰাজহুৱা প্ৰতিশ্ৰুতি দিছিল পৰৱৰ্ত্তী সময়ত সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰাত চূৰান্ত অবহেলা দেখুৱালে। এটা সময়ত মন্ত্ৰী মহোদয়ে কৃষি বিষয়াৰ পদোন্নতিৰ ক্ষেত্ৰত সময়োচিত পদক্ষেপ গ্ৰহণ কৰি একাংশ জেষ্ঠ বিষয়াক পদোন্নতি দিবলৈ উদ্যোগ লৈছিল যদিও ফলবতি হ'ব নোৱাৰিলে। পৰৱৰ্ত্তী সময়ত কিছুমান কুঅভিসন্ধি লৈ মাননীয় মন্ত্ৰী গৰাকীয়ে কলকিংত প্ৰাক্তন কৃষি সঞ্চালক ড়ঃ মঞ্জুৰা মোহন কলিতাক পুনৰ কৃষি বিভাগত কৃষি মন্ত্ৰীয়ে বিশেষ কৰ্তব্যৰত বিষয়া হিচাবে নিযুক্তি

দিব বিচাৰিলে। মন্ত্ৰী মহোদয়ৰ এই অভিসন্ধিক অসম কৃষি সেৱা সন্থাই বাধা প্ৰদান কৰাত মন্ত্ৰী গৰাকীয়ে কৃষি সেৱা সন্থাৰ ন্যাৰ্য্য দাবী সমূহৰ প্ৰতি পিঠি দিয়ে। কিয়নো এবাৰ এবাৰ কৈ চাৰি বাৰ সন্থাই তেখেতৰ সাক্ষাৎ বিচাৰি বিফল হৈছে। শেষত সন্থাই সাক্ষাতৰ কাৰণে যিখন আবেদন দাখিল কৰিলে সেই আবেদনখনত কি আছিল তাত পঢ়ি চোৱাৰ প্ৰয়োজন বোধ নকৰিলে। সন্থাক সাক্ষ্যাৎ নকৰো বুলি সাধাৰণ সম্পাদকলৈ যিখন পত্ৰ প্ৰেৰণ কৰিলে সিয়ে মন্ত্ৰী মহোদয়ে অসমৰ কৃষক কৃষি বিভাগ, কৃষি আৰু উদ্যান শষ্যক কিমান গুৰুত্ব দিছে তাত স্পষ্টকৈ প্ৰকাশ কৰিছে। অসম কৃষি সেৱা সন্থাই প্ৰাক্তন কৃষি সঞ্চালক, ডঃ মঞ্জুৰা মোহন কলিতাৰ কেলেংকাৰী সমূহ তথ্য সহকাৰে মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰে আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়া তৰান্বিত কৰি বিহিত ব্যৱস্থা ল'বলৈ সন্থাৰ তৰফৰ পৰা বিশেষ অনুৰোধ জনোৱা হ'ল। কিন্তু কৃষি মন্ত্ৰী গৰাকীয়ে তদন্ত প্ৰক্ৰিয়াৰ পৰিবৰ্তে উক্ত কেলেংকাৰীৰ নায়ক জনক তেখেতৰ বিশেষ কৰ্তব্যৰত বিষয়া নিয়োগ কৰিবলৈ উঠি পৰি লাগিল। অৱশেষত সন্থাই আদালতৰ সহায় ল'বলৈ বাধ্য হ'ল। আদালতৰ হস্তক্ষেপত ডঃ কলিতাৰ নিযুক্তি প্ৰক্ৰিয়া বন্ধ ৰাখিবলৈ বাধ্য হ'ল। কিন্তু কলিতাক ক্লীনচিট দিবলৈ ইতিমধ্যে কিছুদিন আগৰ পৰা মন্ত্ৰী মহোদয়ে আমোলা বিষয়া সকলক লৈ কলিতাই ৰূপায়ন কৰা আসোৱাহ পৰীক্ষাগাৰ বিলাক উদ্বোধন কৰি বিভাগীয় সাফল্যৰ জয়ঢোল বজাই ফুৰিছে। উলুবাৰিস্থ কামৰূপ জিলাৰ কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ গ্ৰাউণ্ডফ্লৰৰ পুৰণি কোঠাত চুন তেল দি নিম্নমান দণ্ডৰ কেইপদমান যন্ত্ৰপাতি ক্ৰয় কৰাৰ নামত ২০ লাখ টকা ব্যয় সাপেক্ষে শষ্য স্বাহ্য কেন্দ্ৰ স্থাপন কৰি ৰাজহুৱা ধনৰ প্ৰচুৰ অপব্যয় হয়। ইয়াৰ পাছত উলুবাৰীত অৱস্থিত মাটি সমীক্ষা বিষয়াৰ কাৰ্য্যালয়ৰ গেৰেজ এটাৰ সন্মুখত বেৰখন দি দিল্লীৱালা, মামৰে ধৰা, যন্ত্ৰপাতিৰে ২০ লাখ টকা ব্যয় দেখুৱাই পৰীক্ষাগাৰ স্থাপনৰ নামত ৰাজহুৱা ধনৰ অবাধ লুণ্ঠন হয়। তাৰ পাছত আদৰ্শ ফুলনিবাৰীৰ নামত ২০০১-০২ চনত উদ্যান প্ৰযুক্তি অভিযান আঁচনিৰ অধীনত আৱণ্টিত ৭০ লাখ টকাৰে উলুবাৰীৰ আবাসিক চৌহদত পিতনিতে মাটি পুতি ধন লুণ্ঠনৰ অভিসন্ধিৰে নিৰ্বাচন কৰিলে আদৰ্শ

ফুলনিবাৰীৰ স্থান। খানাপাৰাত অৱস্থিত পুৰণি আসাম টাইপৰ সম্ভীয়া ৰেকৰ্ড বিলডিংৰ এটা কোঠাত সামান্য মেৰামতি কৰি সন্মুখত কেইটামান গ্ৰীল লগাই কেইপদমান সম্ভীয়া যন্ত্ৰপাতিৰে আৱণ্টিত ২০ লাখ টকাৰ অধিকাংশই আত্মসাৎ কৰি ২/৮/২০০৫ চনত আনুস্থানিক ভাৱে উদ্বোধন কৰে। কাঠফুলা উৎপাদন কেন্দ্ৰ উদ্যান প্ৰযুক্তি অভিযান আঁচনিৰ অধিনত ২০০১/২০০২ চনত ৫০ লাখ টকা আনি ২৫ লাখ টকা ব্যয় দেখুৱাই ২৫ লাখ টকা আত্মসাৎ কৰে। এইয়া মোৰ কথা নহয়। এই কাগজ খনত থকা কথা। এইবোৰ চৰকাৰী বিষয়া সন্থাৰ উঠোৱা অভিযোগ। স্বাস্থ্য বিভাগৰ কথাটো মই আগেয়ে কৈছো। তেওঁলোকে ৰাজস্থানত এটা কোম্পানীৰ নামত ঔষধ ক্ৰয় কৰে। অথচ তাত তেনেধ্ৰৰণৰ কোনো কোম্পানীৰ পৰা চাপ্লাই হোৱা নাই। তেওঁলোকে ফল্‌চ নাম দি ঔষধ চাপ্লাই দেখুৱাইছে। তেওঁলোকে জনাইছে যে তেওঁলোকে কেচ দিব। যিহেতুকে কোনো তেনেধৰণৰ কোম্পানীৰ পৰা ক্ৰয় কৰা নাই। বাতৰি কাকত শিৰোনামা হৈছে যে কাকো আনন্দ দিব নোৱাৰিলে কোনো নিৰানন্দও হোৱা নাই। গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে এখন সভা পাতি ঠিকাদাৰ সকলক মাতি লগতে বিধায়ক সকলকো মাতি ৬ হাজাৰ কোটি টকাৰ কাম কৰিবলৈ প্লেন প্ৰগ্ৰেম কৰে। ইয়াৰ পাছত চাৰ কি হৈছে যিবিলাক তৃতীয় শ্ৰেণীৰ ঠিকাদৰ আছে গাৱে ভুঞে কোনোমতে পেটে ভাতে খাই থকা তেওঁলোকৰো মূধা মৰিল। গুৱাহাটী চহৰলৈ আঁচনি বিলাক লৈ অহা হ'ল। ডি চেণ্ট্ৰেলাইজড আঁচনি কৰিলে ক'ত ঠিকা পায়? সেই ২০/২৫ হাজাৰ টকীয়া ঠিকাদাৰ খিনিৰ ঠাই নাইকীয়া হ'ল। মুখৰ ভাত কাঢ়ি আনিলে। এতিয়া আমাৰ কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা অনা হয় সেই সকলো খিনি আকৌ বাহিৰলৈ গুছি যায়। বাহিৰৰ যিখিনি ঠিকাদাৰ আছে তেওঁলোকে এটা লায়ন চেয়াৰ লৈ গুচি যায়। সেয়ে মই ক'ব বিচাৰিছো যে আমাৰ যিখিনি লোকেল ঠিকাদাৰ আছে তেওঁলোকক সুবিধা দিব লাগে। টকাটো তেতিয়া আমাৰ ৰাজ্যৰ ভিতৰতে ৰোলিং হৈ থাকে। মই নিজেই দেখিছো যিবিলাক আমাৰ লোকেল ঠিকাদাৰে কাম কৰে তেওঁলোকৰ কাম বিলাক ভাল। যিবিলাক মেচিনেৰী আছে সেই

বিলাক হয়তো নাই কিন্তু নিজে কাম বিলাক কৰিব পাৰে। ঠিকাদাৰজন তেজপুৰৰ বুলি কোৱা নাই, চিলচৰ হওঁক, শিৱসাগৰৰ হওঁক, গোটেই অসমতে ভগাই দিব লাগে। অসমৰ টকা অসমতে থাকিব। তাকে নকৰিলে কোটি কোটি বাহিৰলৈ গুছি যায়। চাউল চোচিয়েল আৰু পঞ্চায়ত বিভাগৰ নামত আহিছে, এফ,চি,আই কিয় দিব নোৱাৰে? এফ,চি,আইৰ পৰা চাউল বিতৰণ কৰক।

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিভাগত এফ,চি,আইৰ পৰা চাউল অহা নাই।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** অধ্যক্ষ মহোদয়, কৰ পৰা আহিছে নাজানো। একচেজ চাউল পঞ্জাব হাৰিয়ানাৰ পৰা আহে। তেওঁলোকৰ পৰা চাউল আনে, ৭৩ কোটি টকা দিছে। চাউল ৰাস্তাতে বিক্ৰী কৰিলে চোৰ বুলি কয়, মাটি খান্দি পুখুৰী কৰে, চাউল কৰবাত বিক্ৰী হয়। এফালে উন্নয়নমূলক কামত স্থবিৰতা, আনহাতে কংগ্ৰেছ চৰকাৰে অৰ্থনৈতিক অৱস্থা ভাল হৈছে বুলি কৈছে। এই ক্ষেত্ৰত অসমত স্পেচিয়েল ব্যৱস্থা কৰিব পৰা নাই। যদি এশ কোটি টকা পায়, তেতিয়া হ'লে বহুতখিনি ভাল কৰিব পাৰে। চৰকাৰৰ ক্ষমতা আছে।

আজি চৰকাৰে বানপানীৰ সমস্যা নাই বুলি কৈছে। কিন্তু লাহৰিঘাট, মৰাণ, বহৰিলৈ যাওঁক। বহৰিত হিন্দু, মুছলমান সকলো আছে, তাত পুনৰ সংস্থাপন কৰিব পৰা নাই। চৰকাৰে এই সমস্যা চাব লাগে। চৰকাৰে সমস্যা বিলাক দিঠকত লওঁক। দিঠকত ললে ব্যৱস্থা ল'ব পাৰিব, নিশ্চয় সমস্যা সমাধান কৰিব পাৰিব। প্ৰধান মন্ত্ৰী আহি বগী বিলৰ দলঙৰ কাৰণে ৩৫ কোটি টকা দিয়া বুলি ঘোষনা কৰিছিল। কিন্তু এতিয়া ১২ কোটি টকা বুলি কৈছে। মোক কৈছিল প্ৰধান মন্ত্ৰী অহাৰ আগতে মন্তব্য দিয়ক, মই এই মন্তব্য দিব লাগিব যে আমি সেই ধন পোৱা নাই। প্ৰধান মন্ত্ৰীয়ে যি ঘোষনা দিছে, সেই কাম কাজ নিয়মৰ মাজেৰে হ'ব। মই ভাবো এইটো সম্ভৱ নহয়। দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ৯০ ভাগ মানুহৰ কিমান কাম কৰিছে? গাৱে গাৱে দুখীয়া আৰু দূৰ্দশাগ্ৰস্ত মানুহৰ সংখ্যা বাঢ়ি গৈছে।

* Speech not corrected

দুখীয়া মানুহে ধাৰত কাম কৰি জীৱন নিৰ্বাহ কৰিব লগা হৈছে। মাননীয় মুখ্য মন্ত্ৰীয়ে দুখীয়া মানুহক ঘৰ সাজি দিয়া বুলি কৈছে। যোৱা ৫ বছৰত কিমান মানুহক ঘৰ সাঁজি দিছে? প্ৰত্যেকখন গাওঁত ভিলেজ কমপ্লেক্স কৰিছে। আমাৰ গাওঁতো কৰিছে। কিন্তু চৰকাৰ বদলি হ'লে নিয়মো সলনি হৈ যায়। বয়নজ্যোতি, ধৰ্মজ্যোতি আদি বহুত আঁচনি কৰা হৈছে। শিপিনী বিলাকক তাঁত শাল দিছে, সূতা দিছে, টিনপাত দিছে। কিন্তু এই বস্তু বিলাক কোনোবাই পাইছে কোনোবাই পোৱা নাই। কোনোবা এখন গাওঁত মহিলা এগৰাকীয়ে শাল পাইছে, কিন্তু সূতা পোৱা নাই। সেই কাৰণে এখন গাওঁকে লওক, তাত চেল চেন্টাৰ খোলক। আমি পৰিবৰ্তন বিচাৰিছো। এই চৰকাৰৰ দিনত যিবিলাক আঁচনি লোৱা হৈছে, সেই বিলাক আপোনালোকৰ কৰিবলৈ সময় নাই। সেই কাৰণে দিশপুৰৰ বিধান সভাত আপোনালোকৰ কৰিবলৈ সময় নাই। সেই কাৰণে দিশপুৰৰ বিধান সভাত আপোনালোকে আশ্বাস নিদি, দলৰ কাৰ্য্যালয়ত যদি আশ্বাস দিলেহেতেন ভাল পালোহেতেন। আমি বিৰোধিতা কৰিব লাগিব, আমাক কন্‌ভিন্স কৰাই লাভ নাই। কংগ্ৰেছ দলৰ পাঁচ বছৰীয়া কাৰ্য্যকালৰ কামৰ খতিয়ান ডাণ্ডি ধৰি এখন পুস্তিকা উলিয়াইছে। তাত ৰিপুন বৰা, ভৰত নৰহ, প্ৰদ্যুৎ বৰদলৈৰ নাম আছে। এই অভিযোগনামা এইবাৰ প্ৰিণ্ট নকৰো। আপোনালোকৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পাঁচ বছৰৰ কামৰ খতিয়ান অভিযোগ নামা এই খন (কিতাপ দেখুৱায়)। ৰাইজৰ পদূলিত নাই। যিখিনি আছে, বিধান সভাৰ মজিয়াতে আছে। মই বেছি কথা নকওঁ, ব্যক্তিগত ভাবে কাৰো লগত কাজিয়া নকৰো। ৰাজ্যখনৰ ৫ টা বছৰৰ হিচাব নিকাচ সঠিক ভাবে দিয়ক। ৰাজ্যখনত পৰিবৰ্তন আহিব বুলি আমি বহুত আশা কৰিছিলো। এই ক্ষেত্ৰত চৰকাৰ বেতিক্ৰম হ'ল, একো কৰিব নোৱাৰিলে। বস্কিৰহাট, শ্ৰীৰামপুৰ গেটৰ কথা সকলোৱে জানে।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে পৰীক্ষা কৰি চাওক, আমাৰ চতিয়া সমষ্টি বৰদিকৰাই লৈ মাননীয় মুখ্য মন্ত্ৰী মহোদয় গৈছে। বৰদিকৰাই ৰাইজ খেতিত পানী পাবৰ কাৰণে ৩০ কোটি টকা ঠিকাদাৰৰ নামত দিয়া হৈছে যদিও একো হোৱা নাই। প্ৰথমে ১০ কোটি ৫১ লাখ টকা দিওঁতে

কৈছিল ইমান টকা কিয় দিব লাগে? এতিয়া দেখিছো ৩০ কোটি টকা দিছে। এই টকাটো ভাগ বতৰা কোনে কৰিছে আপোনালোকে নাজানে, ৰাইজে জানে। তাৰে ১০ কোটি টকা ভাগ বতৰা হৈছেই। মাননীয় মন্ত্ৰী মহোদয়ে গম নাপায়। এই কথাবোৰ মই এনেয়ে কোৱা নাই, এইবোৰ বিধান সভাৰ মজিয়াত কোৱা কথা।

মাননীয় অধ্যক্ষ মহোদয়, বানপানী সমস্যাৰ ক্ষেত্ৰত যিমান ধন আহিছে এই ধন কেনেকৈ লুট-পাট হৈছে খবৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, পুলিচ বিভাগটোৰ ডাঙৰ ডাঙৰ কথা আমি বহুতবাৰ কলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো জেনেৰেল ডিচকাচনহে হয়। বিভাগৰ বিষয়ে আলোচনা হ'ব নোৱাৰে। আপোনাক যথেষ্ট সময় দিয়া হৈছে।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, আজি মাননীয় মুখমন্ত্ৰী মহোদয়ে বিচাৰ কৰক। তিনিজনী ছোৱালীয়ে কেৰাচিন ঢালি মৰিব বুলি কৈছে। নগৰৰ মাজ মজিয়াত থকা দিশপুৰৰ এন,জি,অ'ৰ আছিল। তেওঁলোকে হাইকোৰ্টত বহুতবাৰ জিকিছে। দিশপুৰ পুলিচ গৈছে। বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো সকলোকে ন্যায়খিনি দিয়ক।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্য সামৰণি মৰাৰ আগতে আজিৰ বিধান সভাত মুকলিকৈ ক'ব বিচাৰিছো। যোৱা সময়ছোৱাত চৰকাৰে কৰা কামবিলাক বেয়া হোৱা বুলি মই নাভাবো। ব্যাপকভাৱে কাম কৰা হৈছে। এইদৰে সঠিকভাৱে কাম হৈ থাকিলে ভাল। লেখানুদানত এই চৰকাৰখনে লালকাল দি আছে। সপোন দেখি শুই আছে। সাৰ পোৱাৰ দৰে হৈছে যদিও দিঠক বৰ ভয়াবহ। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

( Hon'ble Deputy Speaker occupied the Chair).

**Mr. Deputy Speaker :** Hon'ble Member, Shri Etuwa Munda.

* **শ্ৰী এটুৱা মুণ্ডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত লেখানুদানৰ ওপৰত আমাৰ বিত্তবিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে। আমাৰ মাননীয় সদস্য সকলে বিভিন্ন সময়ত তেখেত সকলৰ মতামত আগবঢ়াইছে। এইখিনিতে

* Speech not corrected

মই ক'ব বিচাৰিছো যে বাজেটৰ লেখানুদানখন ঠিক সময়ত দাঙি ধৰিছে। এইটো স্পষ্ট যে লেখানুদান সম্পৰ্কে কোনেও নাজানে। অনুষ্ঠান প্ৰতিষ্ঠান, অসমৰ উন্নয়নৰ কাৰণে এইটো লেখত লবলগীয়া এই লেখানুদান বা জেট ইয়াত দিয়া হৈছে। এইটো কেৱল ৰুলিং পাৰ্টিৰ তৰফৰ পৰা নহয় অন্য ফালৰ পৰা বিভিন্নজনে এই লেখানুদান বা অসমৰ উন্নয়নৰ কামবিলাক বেয়া হৈছে বুলি কোনোৱে ক'বলৈ বিচৰা নাই। এইটোৰ পৰা প্ৰতিপন্ন হৈছে যে অসমৰ জনসাধাৰণৰ কাৰণে লেখানুদান আমাৰ কাৰণে ভাল হৈছে। আমি ইয়াত বিতংকৈ চালে আমি বুজিম এই লেখানুদান আমাৰ অসমৰ বিভিন্ন বিভাগত, বিভিন্ন জনগোষ্ঠিকে আৰম্ভ কৰি প্ৰতিটো দিশতে উন্নয়নৰ কাৰণে প্লেচ কৰা হৈছে। কিছুমানে কৈছে ধাৰ লৈ কৰিব বিচাৰিছে। ধাৰ কোনে নলয়? লেন দেন কোনে নকৰে? ধাৰ কাক দিয়ে, যি সময়মতে ধাৰ পৰিশোধ কৰিব পাৰে তেওঁক হে ধাৰ দিয়ে বা তেওঁহে ধাৰ লয়। এতিয়া কথা হ'ল এই যে ধাৰ লোৱাৰ ওপৰত বিভিন্নজনে বিভিন্ন মতামত দাঙি ধৰিছে। কোনখন চৰকাৰৰ দিনত ধাৰ লোৱা নাই। ধাৰ লৈ কোনোবাই ঘূৰাই দিছে আৰু কোনোবাই ঘূৰাই দিয়া নাই। ঋণ পৰিশোধ নকৰা মানুহবিলাকক বিচাৰি আছে। এইটো চকাৰৰ কনটিনিউ প্ৰচেচ। সুবিধা বুলি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান বিলাকক চৰকাৰে ঋণ দিবলৈ আগবাঢ়ি আহিছে। এই ঋণৰ যোগেদি কামবিলাক ডেভলপ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমত বৃহৎ সংখ্যক চাহ জনগোষ্ঠী আছে, প্ৰায় ৬০-৭০ লাখ মান চাহ জনগোষ্ঠী আছে। এই সকলৰ কথাও লেখানুদানত উল্লেখ কৰা আছে। তেখেত সকলৰ কাৰণে ১০ কোটি টকা স্পেচিয়েলকৈ দিয়া হৈছে। চৰ অঞ্চল আছে, চাহ বনুৱা, তিঁৱা, মিচিং ৰাইজৰ কাৰণে আছে। পাহাৰী ভাই সকলৰ কাৰণেও আছে। এইটো তেওঁলোকৰ ডেভলপৰ কাৰণে দিয়া হৈছে। এনেধৰণৰ বাজেটৰ যোগেদি এই লেখানুদানত স্থান পাইছে। এই লেখানুদান গৰীব জনসাধাৰণৰ কাৰণে কৃষক ৰাইজৰ কাৰণে হজুৱা বনুৱাৰ কাৰণে এইখন এখন গতিশীল বাজেট কৰা হৈছে বুলি কৈ ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলো।

ধন্যবাদ।

---

* Speech not corrected

* শ্ৰী বিমলাংশু ৰয় ঃ উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ভাল কথাকে কৈছে যে সকলো জনগোষ্ঠীৰ কাৰণে টকা আৱণ্টন কৰিছে। এটা মাত্ৰ কথা কওঁ যে কাম কৰাৰ সময় আৰু ক'ত আছে? কাম কৰাৰ ইচ্ছা থকা হ'লে এই নিৰ্বাচনমুখী বাজেটখন আজিৰ পৰা ৪ বছৰ আগতে পেচ কৰা হলে ভাল পালোহেতেন। বৰ্তমানৰ যিখন লেখানুদান ই অতি নিৰ্বাচন মুখী হৈছে আৰু ইয়াক কংগ্ৰেছ অফিচত পেচ কৰা ভাল আছিল বুলি সকলো মাননীয় সদস্যই মত প্ৰকাশ কৰিছে।

উপাধ্যক্ষ মহোদয়, আজি অসমত ভৈয়াবহ নিবনুৱা সমস্যাই দেখা দিছে। এই নিবনুৱা সমস্যাৰ কাৰণে যোৱা ৫ বছৰত চৰকাৰে কি কৰিলে? চাওতে চাওতে তেওঁলোক কাৰ্য্যকাল কমিচন বহুৱায়ে শেষ কৰিলে। বাজেটত যি প্ৰতিশ্ৰুতি দিছিল সেইবিলাক প্ৰতিশ্ৰুতিয়েই থাকিল। সকলো সময়তে কয় যে এমওইউ থকা কাৰণে নিবনুৱা সকলক চাকৰী দিব পৰা নাই। আমি জানো ছাৰ, চৰকাৰ হৈছে কণ্টিনিউয়াচ প্ৰচেচ। ৱল্ড ট্ৰেড অৰ্গেনাইজেচনত আমাৰ তেতিয়াৰ বানিজ্য মন্ত্ৰী প্ৰণৱ মুখাৰ্জী যোগদান কৰিবলৈ গৈছিল। তেতিয়া তাত তেওঁ চুক্তি কৰি আহিল যে আমি চাবচিডিদি এপ্লয়মেণ্ট দিয়াৰ ব্যৱস্থা কৰিম। সেই চুক্তি অনুসৰি এ,জি,পি চৰকাৰে সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি কৰিবলগীয়া হ'ল আৰু সেই চুক্তিক ভিত্তি কৰিয়ে এই চৰকাৰে মৌৰ কথা কৈ সাৰি গ'ল। যোৱা ২ তাৰিখে মোৰ এটা প্ৰশ্নৰ উত্তৰত শ্ৰম মন্ত্ৰীয়ে কৈছিল যে অসমত ১৭,১৩,৩৫০ জন শিক্ষিত যুৱক যুৱতি নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰিছে। ইয়াৰ ভিতৰত প্ৰায় ২ লাখ অনুসূচিত জাতি, জনজাতি আৰু ৭০,৫০৭ জন অ,বি,চি এম,অ,বি,চি আকৌ ৩,৫৮,২১৫ গৰাকী মহিলা আছে। আৰু যে কত যুৱক-যুৱতি আছে পঞ্জীয়ন নকৰাকৈ তাৰ হিচাব নাই। কৰণ বহুতে ভাবে যে পঞ্জীয়ন কৰিলেনো কি হ'ব চাকৰীটো নাপায়। কিছুমানে আকৌ ৰিনিউ কৰাও বাদ দিছে কাৰণ চাকৰী নাপায় বুলি জানে। এইটো চৰকাৰৰ তথ্যমতে কৈছো আমাৰ নিজা কথা নহয়। নিবনুৱা যুৱক-যুৱতিসকলৰ সমস্যা সমাধানৰ ক্ষেত্ৰত যোৱা ৫ বছৰত এই চৰকাৰে কি কৰিলে? এতিয়াটো আৰু একো কৰিব নোৱাৰে কাৰণ

* Speech not corrected

যিকোনো মুহূৰ্ত্ততে নিৰ্বাচনৰ কোদ অৱ কণ্ডাক্ট জাৰি হ'ব। চৰকাৰে বাজেট বক্তৃতাত কৈ গৈছে যে যিবিলাক খালিপদ আছে সেইবিলাক পূৰণ কৰাৰ ব্যৱস্থা কৰি আছো, এই ব্যৱস্থা ল'বলৈ সময় আৰু আছে জানো। সেই কাৰণে এই বাজেটত কোনো সন্দেশ নিবনুৱা যুৱক-যৱতীৰ কাৰণে নাই। এই সমস্যা সমাধান কৰিব নোৱাৰিলে। চাকৰীৰ সমস্যা সমাধান কৰিবলৈ হ'লে আমি ৰাজ্যখনক উদ্যোগী কৰণ কৰিব লাগিব। কিন্তু উদ্যোগীকৰণ বিদ্যুত অবিহনে কৰা সম্ভব নহয়। কিন্তু বৰ্তমান অসমত বিদ্যুতৰ পৰিস্থিতি কি? বিদ্যুৎৰ বিষয়ে বাজেটত বহুত কথাই কোৱা হৈছে। কিন্তু বিদ্যুৎৰ কাৰণে যোৱা চাৰে চাৰি বছৰত কি কৰিলে? যোৱাকালি বিধান সভাত বিদ্যুৎ মন্ত্ৰীয়ে যি তথ্য দিছে সেইমতে পিক আৱাৰত ৭০০ মেগাৱট আৰু অন্য সময়ত ৪৬০ মেগাৱট লাগে। কিন্তু আমাৰ এতিয়া ১১০ মেগাৱটহে উৎপন্ন হয়। ৭০০ মেগাৱট যেতিয়া আমাক দৰ্কাৰ আমাৰ উৎপন্ন হয় ১১০। বাকী ৫৩৪ মেগাৱট আমি বাহিৰৰ পৰা কিনিবলগীয়া হয়। এই বিদ্যুৎ ক্ৰয়ৰ কাৰণে আমি মাহে ৭৩ কোটি টকা খৰছ কৰিবলগীয়া হয়। এই বিদ্যুৎ ক্ৰয়ৰ কাৰণে আমি মাহে ৭৩ কোটি টকা খৰছ কৰিবলগীয়া হৈছে। শতকৰা হিচাবত আমাৰ মাত্ৰ ১৫.৭২ মেগাৱট বিদ্যুৎহে উৎপন্ন হৈছে। বাকী শতকৰা ৭৬ ভাগ আমি কিনিবলগীয়া হৈছে। সেই কাৰণে হেজাৰ হেজাৰ কোটি টকা বিদ্যুৎ কিনাৰ নামত খৰছ কৰিবলগীয়া হৈছে। এই বিদ্যুৎ নাটনিৰ কাৰণে বহুত উদ্যোগ মেঘালয়লৈ গুচি গৈছে। বিদ্যুৎ দিব নোৱাৰা কাৰণে বহুত শিল্প গঢ়ি উঠিব পৰা নাই যাৰ কাৰণে নিবনুৱা সমস্যা ক্ৰমে বৃদ্ধি হৈ গৈ আছে। ইয়াৰ কাৰণে কংগ্ৰেছে চৰকাৰেই দায়ী বুলি স্বীকাৰ কৰিব লাগিব। আমাৰ যুৱক-যুৱতি সকলৰ চাকৰীৰ কাৰণে বাজেটত বহুত কথা কৈছে, কল্পতৰু আঁচনিৰ কথা কৈছে। এই সমস্যা সমাধানৰ কাৰণে জয়ন্ত মাধৱ ডাঙৰীয়াই দিয়া পৰামৰ্শাৱলী কামত লগাম বুলি কৈছে কিন্তু তাৰ সময় আৰু নাই যাৰ কাৰণে নিবনুৱা যুৱক-যুৱতি সকল আস্বস্ত হ'ব নোৱাৰে। আমাৰ আৰ্থিক পৰিস্থিতি অলপ ভাল হৈছে। কিন্তু ভাল হোৱাৰ পৰিনতি কি? মই ভাবো বিত্তীয় পৰিচালনা মিচমেনেজমেণ্ট হৈছে বুলিহে ধাৰণা হয়। যদিও জেষ্ঠ সদস্য, গোস্বামী

ডাঙৰীয়াই কৈছে যে ৰিনং কৃতে ঘৃটং পিবেট, কিন্তু ঋনৰ বোজা ৰাইজৰ ওপৰত কিমান পৰিব আমি অনুমান কৰিছো। ইতিমধ্যে সৰ্বসাধাৰণ ৰাইজ ঋণৰ চেপত সোমাই পৰিছে। কেগৰ ৰিপোৰ্টত এই কথাটো স্বীকাৰ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে বাজেট ভাষণত কৈছে যে ঋণ লোৱা হ'ব আৰু সেই ঋণৰে উন্নয়নৰ কাম কৰা হ'ব। কেগে কৈছে যে নিজৰ চোৰ্চৰ পৰা ৰাজহ সংগ্ৰহ কৰিব লাগে। বৰ্তমান বাজেটৰ শতকৰা ৭০ ভাগেই ঋণৰ সুদ দিওতে যায়। এয়া মোৰ কথা নহয় কেগৰ প্ৰতিবেদনত কৈছে। বেছি দিনৰ নহয় ২০০৫ চনৰ কেগৰ প্ৰতিবেদন।

Interest payment consumed nears 70% of the State's own tax revenue. The imbalance between revenue growth and rising enpenditure led to financial distress of the State Government which necessitated taking of wags and means.

সেই কাৰণেই মই কৈছোঁ আমি অটমেটিকেলী ডেথ্ ট্ৰেপত সোমাই গৈছোঁ। যোৱাকালি বাজেট দাঙি ধৰাৰ সময়ত বহুতো কথাই চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে। আমাৰ ৰাজ্যখন এতিয়া ভাৰতৰ ভিতৰতে বেষ্ট ৰাজ্য হৈছে এইদৰে বহুত কথাই কৈছিল। ভাৰতৰ অন্যান্য ঠাইৰ পাৰ কেপিটা ইন্‌কাম কিমান আৰু অসমৰ পাৰ কেপিটা ইন্‌কাম -

| | | | |
|---|---|---|---|
| In | 2001 | : | 942 |
| In | 2002 | : | 747 |
| In | 2003 | : | 737 |
| In | 2004 | : | 253 |
| In | 2005 upto October | : | 112 |

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ এভাৰেজ চালে অ'লমোষ্ট শতকৰা ৫০ ভাগ হ'ল আমাৰ ৰাজ্যত অলপ আগতে মাননীয় সদস্য বৃন্দাবন গোস্বামীও এই কথা কৈছে যে আমাৰ ৰাজ্যখন এতিয়াও সৰ্বভাৰতীয় হিচাপৰ তলত আছে। আমি তথ্যসহকাৰে এই কথাটো দাঙি ধৰিছোঁ আমাৰ পাৰ কেপিটা ইন্‌কাম।

উপাধ্যক্ষ মহোদয়, মোৰ কথা হ'ল কালি বাজেট দাঙি ধৰোঁতে যি বিলাক কথা কৈছে সেই বিলাক খুব বেছি বেছিকৈ কৈছে। যিমান ভাল বুলি কালি কৈছে আচলতে সিমান ভাল নহয়। এই কথাটো আজি আমি গম পাইছোঁ, ৰাইজেও গম পাইছে। ৰাইজে আজিকালি সকলো গম পায়, বুজিও পায়। আজি প্ৰত্যেক বস্তুৰে দাম বাঢ়িছে। টকা আহিছে, ৰেভিনিউ বাঢ়িছে বুলি বাৰে বাৰে কৈছে, কিন্তু এই ৰেভিনিউ কেনেকৈ বাঢ়িছে। ইতিমধ্যে আমাৰ ৰাজ্যত ভেট লাগু হৈছে। প্ৰতিটো বস্তুতে ভেট প্ৰয়োগ কৰা হৈছে, যেনে চেনি, ময়দা, আটা, নিমখ, আলু আদি সকলোৰে ওপৰত এই ভেট লাগু হৈছে। তাৰোপৰি চাউল আৰু পেট্ৰল, ডিজেল, কেৰাচিন আদি সকলোতে লাগিছে। আজি বজাৰত কেৰাচিন তেলৰ মূল্য ৩০ টকা প্ৰত্যেকটো বস্তুৰ ওপৰতে ভেট লাগু কৰিছে। গতিকে প্ৰত্যেক বস্তুৰে দাম বাঢ়ি গৈছে। আজি বজাৰলৈ গলে দেখিব চেনিৰ দাম ২৩-২৪ টকা ময়দা ১২-১৩ টকা, পিয়াজ ১১ টকা, আলু ৭-৮ টকা, চাউল ১৫-১৬ টকা আৰু কেৰাচিন ৩০ টকা। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ বিত্তীয় অৱস্থা ভাল হৈছে, কিন্তু কেনেকৈ ভাল হৈছে।

মাননীয় উপাধ্যক্ষ মহাশয়, মাননীয় ৰাজ্যিক বিদ্যুৎ মন্ত্ৰীয়ে কৈছে যে আমাৰ ৰাজ্যখনত বৰ্তমান বিত্তিয় অৱস্থা ভাল হৈছে। ঠিক আছে আমি মানিলৈছো যদিহে বিত্তিয় অৱস্থা ভাল হৈছে তেনেহ'লে কিয় বিভিন্ন সংস্থা বা বেংকৰ পৰা ঋণ লবলগীয়া হৈছে। এইটোৱে বিত্তিয় অৱস্থা ভাল হোৱা বুজাইছে নে অন্য কিবাহে বুজাইছে সেইটো আজি নিশ্চয় অসমৰ জনসাধাৰণে আৰু বুজিবলৈ বাকী নাই। ভেট ব্যৱস্থাৰ দ্বাৰা আজি ৰাজ্যখনত সামগ্ৰীৰ দাম আকাশলংঘী হৈছে গৈ। আজি অসমৰ মানুহৰ বস্তুৰ দামৰ কাৰণে জীবিকা নিৰ্বাহত কষ্ট হৈছে। আজি গাওঁৰ মানুহৰ যি জীৱন ধাৰা সেইটো একেবাৰে নিম্নগামী হৈছে। বজাৰৰ চৰা দামে আমাৰ ৰাজ্যখনৰ প্ৰত্যেকজন মানুহকে হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে। এতিয়া আৰু মাননীয় মন্ত্ৰী মহাশয়ে ভেট ব্যৱস্থাৰ দ্বাৰা এটা চামক লুণ্ঠনৰ পথ প্ৰশস্ত কৰা হৈছে। উপাধ্যক্ষ মহাশয়, এই দৰে হ'লে আমাৰ ৰাজ্যখনৰ দুখীয়া মানুহখিনিৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে গতি কৰিব। মই

এতিয়া জীৱনজ্যোতি আঁচনিখনৰ বিষয়ে অলপ ক'বলৈ বিচাৰিছো যে এই আঁচনিখনৰ দ্বাৰা আই চি আই চি আই বেংকক অৰ্থাৎ বাহিৰৰ মানুহ এচামক ধনী কৰা হৈছে। জীৱন জ্যোতি আঁচনিখন ভাল, আমি বেয়া বুলি ক'ব বিচৰা নাই। কিন্তু ইয়াৰ দ্বাৰা প্ৰকৃততে আমাৰ মানুহৰ কি লাভ হৈছে সেইটোহে আজি চিন্তাৰ বিষয় হৈ পৰিছে। আজি কিবা এটা দূৰ্ঘটনা হ'লে সেই জীৱন জ্যোতি আঁচনিৰ দ্বাৰা উপকৃত হোৱৰ বাবে আমি দেখি আহিছো যে কিবা এটা ৰিপৰ্ট যদি আনিবলৈ পুলিচৰ ওচৰত যোৱা হয় তেতিয়াহ'লে পুলিচে পইচা অবিহনে একো ৰিপৰ্ট তেওঁলোকে আজি দিব নোৱাৰে। এই যে দুখীয়া মানুহখিনিৰ কাৰণে জীৱনজ্যোতি আঁচনিৰ দ্বাৰা উপকৃত কৰাৰ যি চৰকাৰৰ আঁচনি সেই আঁচনি আজি ফেল মাৰিছে। দুখীয়া মানুহখিনিয়ে যি ধৰণে সকাহ পাব বুলি ভাবিছিল তাৰ ঠাইত দুগুণে কষ্টহে হৈছে। উপাধ্যক্ষ মহাশয়, এই হৈছে জীৱন জ্যোতি আঁচনিৰ লক্ষ্য আৰু কাৰ্য্য। মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াই ভাল কথা কৈছে আৰু তেওঁৰ সৈতে মই একমত। উগ্ৰপন্থীৰ দমনৰ নামত আজি ৰাজ্যখনত কি ঘটি আছে সেইটো আজি সকলোৱে বুজি পাইছে। উগ্ৰপন্থী দমনৰ নামত ৰাজ্যখনত যি হাৰত খৰচ হৈছে তাৰ ফলত ৰাজ্যখনত অৰ্থনৈতিকভাবে যথেষ্ট ক্ষতি হৈছে। উপাধ্যক্ষ মহাশয়, এনেদৰে হ'লে আমাৰ ৰাজ্যখনৰ বিত্তিয় অৱস্থা ভাল হোৱাৰ পৰিবৰ্তে বেয়াৰ ফালে হে আজি গতি কৰিছে। আজি কিছুদিন ইন্দিয়া টুদেৰ টো পৰীক্ষাত কোৱা হৈছে যে অসম আটাইতকৈ পিছপৰা ৰাজ্য ভাৰতবৰ্ষৰ ভিতৰতে আৰু কৰাপচনত ই উচ্ছ শিখৰত আজি পাইছেগৈ। উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ কথা আজি মাননীয় মন্ত্ৰী মহাশয়ে কলে কি হ'ব। আমি দেখি আহিছো যে ৰাজ্যখনৰ যিটো হাৰত উন্নয়ন হ'ব লাগিছিল সেই হাৰত আমি হোৱাটো দেখা নাই। পেপাৰে পত্ৰে যি ধাক ধোল বজায় সেইটো পেপাৰতে সীমাবদ্ধ হৈ থাকে। কামে কাজে আজি নালাগে। উপাধ্যক্ষ মহাশয়, আজি এই সদনত পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়া আছে। আজি পঞ্চায়ত নিৰ্বাচন পাতি চৰকাৰে বাহ বা ল'ব বিচাৰিছে যদিও পঞ্চায়তৰ দ্বাৰা আজি যি হাৰত লুণ্ঠন হ'ব ধৰিছে সেইটো সকলোৱে অৱগত। আমি যদি

এইবাৰ হাৰিব লাগে পঞ্চায়তৰ ববেই হাৰিব লাগিব। পঞ্চায়তৰ তলতীয়া মানুহখিনিয়ে যি হাৰত ধন ঘটাত লাগিছে সেই হিচাবে গাঁও বিলাকত আজি একোৱেই উন্নতি হোৱা নাই। পঞ্চায়ত নিৰ্বাচনৰ দ্বাৰা আমাৰ দুখীয়া, নিচলা মানুহখিনিৰ উন্নতিৰ বাবে চৰকাৰে যি ধৰণে চিন্তা চৰ্চা কৰিব লাগিছিল সেই ধৰণে আজি চিন্ত চৰ্চাৰ পৰা বিৰত আছে। কেৱল মাত্ৰ লুণ্ঠনৰ পথ প্ৰশস্ত কৰা হৈছে। মই অৱশ্যে এই ক্ষেত্ৰত পঞ্চায়ত মন্ত্ৰীক জগৰীয়া কৰিব বিচৰা নাই কিন্তু কথা হৈছে যে ৰাইজে যি ধৰণে ভাবিছিল সেই ধৰণে আজি কাম হোৱা নাই। ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰৰ দ্বাৰা গাঁওৰ মানুহখিনিৰ কাৰণে যি ধৰণে আজি চিন্তা কৰা হৈছে সেই হিচাবে একেবাৰে কাম হোৱা নাই। গ্ৰাছ ৰুট লেভেলত যি হাৰত কৰাপচন হৈছে সেইটো ভাবিলে আজি আচৰিত হ'ব লাগে চাব। আজি চাউল, দালি, আটা, ময়দা, আলু, পিয়াজ আৰু অন্যান্য সামগ্ৰীৰ দামে আজি আমাৰ মানুহক কোঙা কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি ভাল পাইছো যে আমাৰ যি সকল মুছলিম মাইনৰিটি আছে, চাহ জনজাতিৰ মাইনৰিটিৰ বাবে অলপ অলপ টকা সন্নিবিস্ত কৰিছে। বাজেটত সন্নিবিষ্টহে কৰিছে, যদি আকৌ ক্ষমতালৈ আহে তেওঁলোকে বাজেটৰ প্ৰতিশ্ৰুতি পালন কৰিব পাৰিব। আমাৰ যিসকল ভাষিক সংখ্যালঘু আছে যেনে নেপালী, চৰ অঞ্চলৰ লোক আৰু অন্যান্য ভাষিক সংখ্যালঘু আছে তেওঁলোকৰ বাবে বোৰ্ড এটা গঠণৰ কথা ঘোষণা কৰিছে। এই বিষয়ত মোৰ এটা প্ৰশ্ন আছিলে, প্ৰশ্নটো এলাও নকৰিলে। আমাৰ মাননীয় চৰ অঞ্চল উন্নয়ণ মন্ত্ৰী, ওৱাজেদ আলি চৌধুৰীয়ে আপত্তি কৰিলে যে এই ভাষিক সংখ্যালঘু বোৰ্ডখন ৰেজিষ্ট্ৰেচন হোৱা নাই কাৰণে প্ৰশ্ন কৰিব নোৱাৰে। বাজেটত কৈছে যে ভাষিক সংখ্যালঘু সকলৰ উন্নয়ণৰ বাবে যঠেষ্ট টকা ধাৰ্য্য কৰা হৈছে, কিন্তু এক টকা দিছে নে এক কোটি দিছে তাৰ কোনো উল্লেখ নাই। ভাষিক সংখ্যালঘু সকলক যে কংগ্ৰেছ চৰকাৰে কিমান সহায় কৰে এই বাজেটতে প্ৰমাণ হৈছে। এই বাজেটত যিখিনি দিয়া হৈছে সেইখিনি অহা নিৰ্বাচনৰ লক্ষ্য আগত ৰাখিহে কৰা হৈছে। এই বাজেটে প্ৰতিশ্ৰুতি একোৱেই পুৰণ কৰিব

নোৱাৰে। এই বাজেটত মহিলা আৰু শিশু সকলৰ কল্যানৰ কাৰণে একোৱেই উল্লেখ নাই। বিশেষকৈ অসমৰ বন্যা প্ৰীড়িত সকলৰ কাৰণে এই বাজেটত একোৱেই নাই। আপোনালোকে জানে যে আগৰ বছৰত যিটো ভয়ানক বানপানী হৈ গ'ল সেই বানপানীত ক্ষতিগ্ৰস্ত সকলক আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ১৫০০ টকা আৰু ২ বান্দোল কৈ টিনপাত দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এইখিনি সাহাৰ্য্য দিয়াত বহুত ডিচ্‌ক্ৰীমিনেচন হৈছে। প্ৰকৃত বন্যাক্ৰান্ত সকলে সেই সাহাৰ্য্য এতিয়াও পোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ। এই বাজেট খনৰ বিৰুদ্ধে যি প্ৰস্তাৱ অনা হৈছে তাৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

( Hon'ble Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair).

**Mr. Speaker :** Hon'ble Member, Shri Sarat Saikia.

* **শ্ৰী শৰৎ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী, শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই ২০০৬-২০০৭ বিত্তীয় বৰ্ষৰ বাবে যিখন লেখানুদান বাজেট আনিছে, তাত আঁচনি বিলাক সুন্দৰভাৱে প্ৰতিফলিত হৈছে বুলি মই ভাবো। ইয়াত অসম চাহ নিগমৰ কথা কোৱা হৈছে। অসম চাহনিগমৰ অৱস্থা আৰু ইয়াৰ অধীনত থকা ১৫ খন চাহ বাগিচাৰ অৱস্থা অতি বেয়া হৈ গৈছিল। আমাৰ চৰকাৰে যোৱা ৫ বছৰত এনে এটা অৱস্থালৈ আনিলে যে এতিয়া চাহ নিগমৰ অধীনৰ শ্ৰমিক কৰ্মচাৰী সকলে নিয়মীয়াকৈ বেতন আদি পোৱাৰ উপৰিও ৪৫ কোটি টকাৰ লাভৰ মুখ দেখিছে। ইয়াৰ পৰা ইউনাইটেড বেংক, এপেক্স বেংক আদিত থকা ঋণ পৰিশোধ কৰিব পৰা হৈছে। ইয়াৰ উপৰিও সাংস্কৃতিক বিভাগত অসমৰ সংস্কৃতিবান লোক সকলৰ কাৰণে সন্মানীয় সতী জয়মতী, সতী সাধীনী আদিৰ নামত আঁচনিত পুজি আবণ্টন দিয়া হৈছে। বীৰ চিলাৰায়ৰ দৰে বীৰ লাচিতৰ নামতো যোৰহাট জিলাৰ টিয়কত এটা ক্ৰীয়া প্ৰকল্প কৰাৰ বাবে ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনাইছো। আপোনালোকে ভালদৰে চালি-জাৰি চালেই দেখা পাব যোৱা ৫ বছৰত আমাৰ ৰাজ্যখনত কিমান উন্নয়ণ মূলক কাম হৈছে। আমাৰ মাননীয় সদস্য কেইজনমানে পঞ্চায়তৰ দুৰ্নীতিৰ কথা

* Speech not corrected

কৈছে। পঞ্চায়ত নিৰ্বাচন নপতাৰ বাবে আমাৰ গাঁও অঞ্চলত সীমাহীন সমস্যাৰে ভৰি পৰিছিল। আমাৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নেতৃত্বত পঞ্চায়ত নিৰ্বাচন কৰাৰ পিছত গাঁও অঞ্চল উন্নতিৰ জখলাত আগবাঢ়ি গৈছে। পঞ্চায়ত নিৰ্বাচনৰ পিছত আমাৰ শাসক দলৰেই নহয়, বিৰোধী দলৰ সদস্য সকলৰ সমষ্টিটো কিমান উন্নয়ণ হৈছে নিজে দেখা পাব। পঞ্চায়তৰ অধীনত পি,এম,জি,ওৱাই, এচ,জি,আৰ ওৱাই আদি আঁচনিৰ জৰিয়তে দৰিদ্ৰ সীমাৰ তলত থকা লোক সকলক চাউল যোগান ধৰা হৈছে। এতিয়া গাঁও অঞ্চলত মগনীয়া দেখিবলৈ নোহোৱা হৈছে। কাৰণ একোটা দুখীয়া পৰিয়ালে অন্ততঃ ১০ কেজি কৈ চাউল পাইছে। ৰাষ্টা ঘাটৰ ক্ষেত্ৰত আমাৰ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত গাঁও অঞ্চলত যোৱা বছৰ কেইটাত যিমান বিলাক ৰাষ্টা বনোৱা হৈছে আপোনালোকে নিজে দেখা পাইছে। এজন মাননীয় সদস্যই ইন্দিয়া টুডেৰ সমীক্ষাৰ কথা কৈছে। সেইটো কি সমীক্ষা, ক'ত কেনেকৈ কৰিছে নাজানো। যোৱা বছৰ কেইটাত যি হাৰত উন্নয়ণ মূলক কাম হৈছে এইটো অসমৰ ৰাইজে দেখা পাইছে। আমাৰ চৰকাৰৰ দিনত ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ ইমান উন্নতি হৈছে যে আমাৰ চৰকাৰে কেন্দ্ৰৰ ওপৰত ভৰষা নকৰাকৈ, ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু দুখনমান দলং নিৰ্মানৰ বাবে টকা ধাৰ্য্য কৰিব পাৰিছে। ইয়াৰ উপৰিও আমাৰ চৰকাৰে শংকৰ দেৱ, ভীমবৰ দেউৰী, হিতেশ্বৰ শইকীয়া, শৰৎ সিংহ আদিৰ সন্মান প্ৰদৰ্শনৰ বাবেও যঠেষ্ট চেষ্টা কৰিছে। আৰু ভাষিক সংখ্যালঘু বোৰ্ডৰ যিটো কথা কোৱা হৈছে, ভাষিক সংখ্যালঘু সকলৰ কাৰণে একো কৰা নাই। এনে নহয়, আমাৰ চৰকাৰে ভাষিক সংখ্যালঘু সকলৰ বাবেও যথেষ্ট কৰিছে। আৰু ভাষিক সংখ্যালঘু বোৰ্ডৰ বাবে যদি টকা ধাৰ্য্য কৰা হোৱা নাই, তাৰ বাবে টকা ধাৰ্য্য কৰি বোৰ্ডখন সোনকালে গঠন কৰিবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী শইকীয়া আপুনি বাকীখিনি অহা কালি ক'ব। এতিয়া আমাৰ ৰাজ্যিক বিত্ত মন্ত্ৰীৰ এটা ষ্টেটমেণ্ট দিব লগীয়া আছে।

*** শ্ৰী হিমন্ত শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ 'জীৱন জ্যোতি বীমাৰ' ওপৰত ধাৰা বাহিকভাবে একাংশ বাতৰি কাকতত এটা

* Speech not corrected

কথা ওলাই আছে যে অসম চৰকাৰে ২৫ শ কোটি টকাৰ বীমা কৰিছে, ইয়াৰ এটা অংশ ওলাই যাব নে কি?

অধ্যক্ষ মহোদয়, এই গোটেই বীমা বিষয়টো ইতিমধ্যে বিভিন্ন বাতৰি কাকতত স্পষ্ট কৰিবৰ কাৰণে আমি চেষ্টা কৰিছো। অধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ গোটেই অসম দেশ খনৰ মানুহৰ বহুত প্ৰকাৰৰ সুৰক্ষাৰ কাৰণে এই বীমা আঁচনিটো প্ৰবৰ্তন কৰা হৈছিল আৰু বাতৰি কাকত সমূহেও এই কথাত আদৰণি জনাইছিল। ইয়াৰ বাবে এল আই চিয়ে ৩ শ কোটি টকা বিচাৰিছিল। আমি মাত্ৰ ২৫ শ কোটি টকাত এই আঁচনিটোত চুক্তিবদ্ধ হৈছিলো। আমি এতিয়ালৈ ১৫ শ জন ব্যক্তিৰ উপকাৰ কৰিব পাৰিছোঁ। আৰু ছমাহ আছে। এই টকাৰ এক টকাও এনেয়ে নাযায়। প্ৰথমতে আমাৰ জনসাধাৰণৰ মনত ভুল ধাৰণা বিয়পোৱা হৈছিল। আজি এই মূহূৰ্ত্তত কাৰ্বি আংলং জিলাত কাৰ্বি আৰু ডিমাছাৰ মাজত হোৱা সংঘৰ্ষত জৰ্জৰিত ১২০ জন মানুহক ১৫০ হেজাৰ কৰি চেক দিয়া হৈছিল।

* **ডঃ জয়নাথ শৰ্মা ঃ** এগ্ৰিমেণ্টৰ কপি হাউচত দিব।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক মন্ত্ৰী) ঃ** কালিলৈ দিয়া হ'ব।

অধ্যক্ষ মহোদয়, টাইমচ অৱ ইন্দিয়াত নাৰায়ণ দত্ত টেৰাৰীয়ে এই আঁচনিৰ প্ৰশংসা কৰিছে। কেন্সাৰ বেমাৰী সকলে যি ১৫ হাজাৰ টকা পাই তেওঁলোকে কৈছে যে কেচমেমো যেতিয়া বেছি হ'ব তেতিয়া সেইবোৰ জমা দি টকাটো লৈ আহিম। বি বৰুৱা কেন্সাৰ ইনষ্টিটিউতে কৈছে ক্লেইম কৰিলে ১৫ হাজাৰ টকা দিম। এল আই চিয়ে এইটোৰকাৰণে তিনিশ কোটি টকা বিচাৰিছিল তাৰ পৰিবৰ্তে আমি মাত্ৰ ২৫ শ কোটি দিছো। যিটো টকা থাকি যাব সেইটো কোম্পানীয়ে যাতে লৈ যাব নোৱাৰে তাৰ চেষ্টা আমি কৰিছোঁ। আমি ডি চি সকলক কৈছোঁ বেছি ক্লেইম আনিব পৰা জনক আমি বিদেশ ভ্ৰমণৰ সুবিধা কৰিম। মই ভাবো এই ২৫ শ কোটি টকা ঠিক ভাবেই পাৰ হৈ যাব।

* Speech not corrected